# ASSAMESE

CS (Main) Exam:2015

## Paper I

## ( LITERATURE )

*Time allowed : **Three Hours***

*Maximum Marks : **250***

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions :***

*There are **EIGHT** questions divided in **TWO SECTIONS**.*

*Candidate has to attempt **FIVE** questions in all.*

*Questions no. **1** and **5** are compulsory and out of the remaining, any **THREE** are to be attempted choosing at least **ONE** from each section.*

*The number of marks carried by a question / part is indicated against it.*

*Answers must be written in **ASSAMESE**.*

*Word limit in questions, wherever specified, should be adhered to.*

*Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.*

---

## SECTION A

**Q1.** তলৰ পাঁচটো প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ 150 টা শব্দৰ ভিতৰত লিখাঁ : *10×5=50*

(a) অসমীয়া ভাষাৰ উৎস আৰু ইয়াৰ ঐতিহাসিক ক্ৰমবিকাশ সম্পৰ্কে এটি ৰচনা যুগুত কৰাঁ । *10*

(b) অসমীয়া গদ্য সাহিত্যৰ বিকাশত ভট্টদেৱৰ অৱদানৰ বিষয়ে আলোচনা কৰাঁ । *10*

(c) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু ইহঁতৰ উচ্চাৰণ-প্ৰণালী সম্পৰ্কে তথ্যসম্বলিত আলোচনা আগবঢ়োৱাঁ । *10*

(d) ধাতু কাক বোলে ? অসমীয়া ভাষাৰ ধাতুৰূপ — এই শীৰ্ষক এটি প্ৰবন্ধ সকলো দিশ সামৰি উদাহৰণসহ লিখাঁ । *10*

(e) অসমীয়া ভাষাৰ শব্দসম্ভাৰত কি কি আৰ্যভিন্ন ভাষাৰ উপাদান পৰিলক্ষিত হয় তথ্যসহকাৰে আলোচনা কৰাঁ । *10*

**Q2.** (a) নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় আৰু স্বাৰ্থিক প্ৰত্যয়ৰ মাজত কি সম্পৰ্ক বা প্ৰভেদ আছে উদাহৰণ দি আলোচনা কৰাঁ । *20*

(b) ভাৰতীয় আৰ্যভাষাক কেইটা ভাগত ভাগ কৰা হয় ? এই ভাষাৰ পৰা কি কি স্তৰৰ মাজেদি আহি কি ৰূপত অসমীয়া ভাষাৰ উদ্ভৱ হল লিখাঁ । *15*

(c) অসমীয়া গদ্যৰ বিকাশৰ সকলো দিশ সামৰি এটি টোকা লিখাঁ । *15*

**Q3.** (a) অসমীয়া ভাষাৰ উপভাষা বিষয়ক এখনি ৰচনা যুগুত কৰাঁ । *20*

(b) অসমীয়া ভাষাত প্ৰয়োগ হোৱা বিশিষ্ট ব্যঞ্জনধ্বনি কেইটাৰ তালিকা প্ৰস্তুত কৰি ইহঁতৰ প্ৰয়োগ দেখুওৱাঁ । *15*

(c) কামৰূপী উপভাষাৰ প্ৰধান প্ৰধান বৈশিষ্ট্যসমূহ লিখাঁ আৰু মান্য অসমীয়াৰ লগত মিল বা অমিল দেখুওৱাঁ । *15*

**Q4.** (a) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এখনি ৰচনা যুগুত কৰাঁ । *20*

(b) ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপি কি ? আহোম যুগৰ কাইথেলি আৰু গড়গঞা লিপিৰ লগত ইবোৰৰ কিবা সম্পৰ্ক আছে নে নাই আলোচনা কৰাঁ । *15*

(c) অসমীয়া ভাষাত বিদেশী শব্দৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাঁ আৰু এই সম্পৰ্কীয় তোমাৰ মতামত বিশ্লেষণ সহকাৰে ব্যক্ত কৰাঁ । *15*

## SECTION B

**Q5.** তলত দিয়া পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ 150টা শব্দৰ ভিতৰত লিখাঁ। *10×5=50*

(a) অসমীয়া কবিতা সমালোচনাৰ গতিধাৰাৰ বিষয়ে আলোচনা দাঙি ধৰা। *10*

(b) মাধৱদেৱৰ 'নামঘোষা' পুথিৰ তত্ত্ব আৰু সৌন্দৰ্য বিচাৰ কৰা। *10*

(c) আধুনিক অসমীয়া কবিতাৰ প্ৰধান বৈশিষ্ট্য সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। *10*

(d) চৰ্যাগীতৰ প্ৰধান বৈশিষ্ট্য কি কি উদাহৰণসহ আলোচনা কৰা। *10*

(e) অসমীয়া আত্মজীৱনী সাহিত্যৰ চমু পৰিচয় দি বেজবৰুৱাৰ আত্মজীৱনীখনৰ আলোচনা আগবঢ়োৱাঁ। *10*

**Q6.** (a) পাঁচালী সাহিত্য কি ? অসমীয়া পাঁচালী সাহিত্যিক দূৰ্গাবৰ কায়স্থৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা। *20*

(b) স্বৰাজোত্তৰ কালৰ অসমীয়া চুটিগল্পৰ বিষয়ে আলোচনা দাঙি ধৰা। *15*

(c) অসমীয়া ৰোমান্টিক কবিতাৰ প্ৰৱাহ আৰু বৈশিষ্ট্য সম্পৰ্কে ৰচনা যুগুত কৰা। *15*

**Q7.** (a) অসমীয়া বুৰঞ্জীমূলক নাটকৰ কাহিনী নিৰ্বাচন, ৰচনা ৰীতি আৰু চৰিত্ৰাংকণৰ বিষয়ে এটি আভাস দিয়া। *20*

(b) শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাটৰ ৰচনাৰীতিৰ বিষয়ে এটি ৰচনা যুগুত কৰা। *15*

(c) উপন্যাসৰ বিষয়বস্তু আৰু ৰচনাৰীতি সম্পৰ্কে আলোচনা কৰা। *15*

**Q8.** (a) অসমীয়া সাহিত্যৰ বিকাশত আলোচনী আৰু সংবাদপত্ৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ। *20*

(b) মাধৱকন্দলিৰ জন্মস্থান আৰু কাল সম্পৰ্কে মতামত দি তেওঁৰ ঘাই সাহিত্যিক অৱদানটিৰ বিষয়ে বহলাই আলোচনা কৰাঁ। *10*

(c) চমু টোকা লিখাঁ : *5×2=10*

(ক) ৰজনীকান্ত বৰদলৈ

(খ) কাৰেঙৰ লিগিৰী

(d) অসমীয়া সমালোচনা সাহিত্যৰ গতি প্ৰকৃতিৰ বিষয়ে সবিশেষ আলোচনা কৰি এটি প্ৰবন্ধ লিখাঁ। *10*